**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 18-02-2026** **Time : 1845 Hrs**

***Assamese Evening Bulletin***

**---------------------------**

০০০০০০০

১। ব'হাগ বিহুৰ কথা বিবেচনা কৰি ৰাজ্যৰ নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি গুৱাহাটীত সংবাদ মেলত নিৰ্বাচন আয়োগৰ প্ৰকাশ।

২। অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনী সূচী ঘোষণা। ১৬ মাৰ্চত ভোটগ্ৰহণ।

৩। অসম বিধানসভাৰ বাজেট অধিবেশনত আজি ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং উদযাপন।

**আৰু**

৫। আই চি চি টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত ভাৰত আৰু নেডাৰলেণ্ডছৰ খেল।

০০০০০০০০০

ৰঙালী বিহুৰ কথা বিবেচনা কৰি ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ পাছত আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে আয়োগে যথোপযুক্ত সময়ত বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। তেওঁ কয় যে অধিকাংশ ৰাজনৈতিক দলে এটা অথবা সৰ্বাধিক দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনাইছে। ৰাজনৈতিক দলসমূহে লগতে ব'হাগ বিহুৰ পূৰ্বে নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীকুমাৰে কয়, যে ৰাজ্যত ৫ লাখ ৭৫ হাজাৰ লোকে এইবেলি প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাজ্যত ৩১ হাজাৰ ৪৮৬ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ইয়াৰে ২৭ হাজাৰ ৭১১ টা গ্ৰামাঞ্চলৰ আৰু ৩ হাজাৰ ৭৭৫ টা নগৰ অঞ্চলৰ। আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীকুমাৰে কয়, যে এইবাৰৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে ভালেমান নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই অনুসৰি ভোটদাতাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ মোবাইল ফোন লৈ যাব পাৰিব আৰু প্ৰতিটো কেন্দ্ৰত মোবাইল ফোন ৰখাৰ বিশেষ ব্যৱস্থা থাকিব। ই ভি এমত প্ৰাৰ্থীসকলৰ কালাৰ ফটোগ্ৰাফৰ লগতে নামসমূহ ডাঙৰকৈ লিখা থাকিব।

বাইট

ভোটাৰ তালিকাৰ বিশেষ সংশোধন সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে, অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু সেইবাবেই ৰাজ্যখনত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ প্ৰয়োজন নাই।

বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে ইতিমধ্যে ৩ দিনীয়া ভ্ৰমণসূচী সামৰণি মাৰিছে।

০০০০০০০

নিৰ্বাচন আয়োগে অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনীসূচী ঘোষণা কৰিছে। এই আসনকেইখনৰ বাবে অহা ২৬ ফেব্ৰুৱাৰীত অধিসূচনা জাৰি কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ৫ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৬ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৯ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ১৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব। সিদিনাখনেই বিয়লি ৫ বজাত ভোটগণনা কৰা হ'ব। ২০ মাৰ্চৰ ভিতৰত নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। উল্লেখযোগ্য যে অসমৰ সাংসদ – ভূবনেশ্বৰ কলিতা, ৰামেশ্বৰ তেলী আৰু অজিত কুমাৰ ভূঞাৰ কাৰ্যকালৰ অহা ৯ এপ্ৰিলত অন্ত পৰিব।

ooooooo

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি তৃতীয়দিনা প্ৰশ্নোত্তৰ শিতানেৰে কাৰ্যক্ৰমণিকাৰ অন্ত পৰে। প্ৰশ্নোত্তৰ কাল আৰম্ভ হোৱাৰ লগে লগে সদনত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দল বিৰোধী কাৰ্যত লিপ্ত হোৱা কংগ্ৰেছৰ দুজন বিধায়কৰ পদ খাৰিজ কৰাৰ বাবে দাবী জনায়। কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰে জয়ী হোৱা বিধায়ক আব্দুৰ ৰছিদ মণ্ডল আৰু শ্বেৰমান আলী আহমেদে শেহতীয়াকৈ অন্য ৰাজনৈতিক দলত যোগদান কৰা বুলি তেওঁ মন্তব্য কৰে। এই সন্দৰ্ভত অধ্যক্ষৰ ওচৰত অভিযোগ দাখিল কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী শইকীয়াই প্ৰচলিত নিয়ম অনুসৰি দুয়োগৰাকী বিধায়কৰ পদ খাৰিজ নোহোৱা পৰ্যন্ত তেওঁলোকক তৎকালে কাৰ্যকৰী হোৱাকৈ সদনৰ পৰা নিলম্বন কৰিব লাগে বুলি দাবী জনায়। ইয়াৰ পাছতে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অভিযোগ লাভ কৰা বুলি সদৰি কৰে আৰু শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে। তেওঁ লগতে বিৰোধী দলপতিয়ে দাখিল কৰা অভিযোগ সন্দৰ্ভত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিধানসভাৰ সচিবক নিৰ্দেশ দিয়া বুলি উল্লেখ কৰে। তেওঁ কয়, যে অভিযোগ পোৱা মাত্ৰেই ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি। বিষয়টো নিৰীক্ষণৰ পাছতে সিদ্ধান্তত উপনীত হ'ব পৰা যাব বুলি মন্তব্য কৰে। ইয়াৰ পাছতে দেৱব্ৰত শইকীয়াই দল বিৰোধী কাৰ্যকলাপত লিপ্ত থকা বিধায়ৰ বিৰুদ্ধে পাঁচ বছৰো পৰ্যাপ্ত নহয় নেকি বুলি প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ পাছতে কংগ্ৰেছৰ বিধায়কসকলে সদন ত্যাগ কৰে। কংগ্ৰেছৰ বিধায়কসকল ওলাই যোৱাৰ পাছত অধ্যক্ষ দৈমাৰীয়ে কয়, যে দল বিৰোধী কাৰ্যত লিপ্ত থকা বিধায়কসকলৰ বিৰুদ্ধে দলে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে যদিও দলসমূহে তেনে নকৰি বিষয়টো অধ্যক্ষলৈ ঠেলি দিয়ে। এইক্ষেত্ৰত দুয়োপক্ষৰ শুনানি গ্ৰহণ নকৰাকৈ লগে লগে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাযায়। অধ্যক্ষই লগতে বিধায়ক পদ খাৰিজ সম্পৰ্কীয় এটা গোচৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা বুলি সদনক অৱগত কৰে।

সদনত আজি ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা কৰা হয়। কাইলৈ অধিৱেশনৰ অন্তিম দিনা লেখানুদান সন্দৰ্ভত আলোচনা আৰু ভোটদান অনুষ্ঠিত হ'ব।

oooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলে মাহজোৰা প্ৰস্তুতিৰ অন্তত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং পালন কৰে। এই উৎসৱক লৈ মিচিং বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে প্ৰতিবছৰে এই উৎসৱ পালন কৰি আহিছে। আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱত বীজ ৰোপণ কাৰ্য আৰম্ভ কৰাৰ লগতে এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। গুৱাহাটী মহানগৰীৰ সোণাইঘুলি কেবাঙৰ উদ্যোগত সোণাইঘুলি খেলপথাৰত আলি-আয়ে-লৃগাং উদযাপন কৰা হয়।

শিৱসাগৰ জিলাৰ মিচিং জনগোষ্ঠীয় লোকৰ বসতিপ্ৰধান অঞ্চল দিচাংমুখতো উলহ-মালহেৰে আলি-আয়ে-লৃগাং পালন কৰা হয়। এই কাৰ্যসূচীত মিচিং যুৱক-যুৱতীসকলে নিজৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰে। ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে মাজুলী আৰু ধেমাজি জিলাৰ মিচিং জনগোষ্ঠীয় লোক বসতিপ্ৰধান প্ৰতিখন গাঁৱত এই উৎসৱ পালন কৰা হয়। ধেমাজিত এই উৎসৱ উদযাপন সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয়-

বাইট

ধুবুৰী জিলাৰ গৌৰীপুৰত টাকাম মিচিং কৰ্মচাৰী সংস্থাৰ উদ্যোগত পাঁচদিনীয়া কাৰ্যসূচীৰে আলি-আয়ে-লৃগাং পালন কৰা হৈছে।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ কাৰ্বি সাংস্কৃতিক প্ৰকল্প তাৰালাংছ'ত চলি থকা কাৰ্বি যুৱ মহোৎসৱৰ আজি তৃতীয় দিন। তৃতীয় দিনাৰ কাৰ্যসূচী অনুসৰি লংমিৰজেং মঞ্চত দোমাহী নৃত্য-গীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। যুৱ মহোৎসৱৰ সৈতে সংগতি ৰাখি কাৰ্বি সাহিত্য সভাৰ উদ্যোগত আয়োজিত বহুভাষিক কবি সন্মিলনত কেইবাগৰাকীও ন-পুৰণি কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। কাৰ্বি যুৱক-যুৱতীয়ে প্ৰদৰ্শন কৰা বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান চাবলৈ মহোৎসৱস্থলীলৈ দেশ-বিদেশৰ পৰা দৰ্শকৰ আগমন ঘটিছে।

০০০০০০০

ৰাজ্যৰ শিক্ষাখণ্ড আৰু ইয়াৰ সৈতে জড়িতসকলৰ বাবে ঐতিহাসিক পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰাদেশিকীকৰণ ব্যৱস্থাপনা প্ৰণালী প'ৰ্টেল মুকলি কৰে। ২০১৭ চনৰ অসম শিক্ষা, শিক্ষকৰ সেৱা প্ৰাদেশিকীকৰণ আৰু শিক্ষানুষ্ঠান পুনৰ গঠন আইনৰ ২০২৫ চনৰ সংশোধনীৰ আধাৰত এই প'ৰ্টেলটো মুকলি কৰা হৈছে। এই ডিজিটেল ব্যৱস্থাই ৰাজ্যৰ যোগ্যতাসম্পন্ন অপ্ৰাদেশিকীকৃত প্ৰতিষ্ঠানসমূহৰ প্ৰাদেশিকৰণৰ প্ৰক্ৰিয়া সৰল কৰি তোলাত সহায় কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়, যে প্ৰাদেশীকিকৰণ প্ৰক্ৰিয়াত স্বচ্ছতা, দক্ষতা আৰু ন্যায্যতা নিশ্চিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ২০০৬ চনৰ পূৰ্বে স্থাপন হোৱা বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণ হ'ব বুলি তেওঁ ঘোষণা কৰে। ২০১১ চনৰ আইন অনুসৰি ৰাজ্যত ৫৭ হাজাৰ ৫৭ শিক্ষক-কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ হোৱা বুলি উল্লেখ কৰি তেওঁ লগতে এই আইনৰ তৃতীয় সংস্কৰণেৰে ২০২৫ বৰ্ষৰ সংশোধনী আইন প্ৰৱৰ্তনৰ বিষয়ে উল্লেখ কৰে।

বাইট (চি এম)

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থা অধিক শক্তিশালী শিক্ষা প্ৰণালী গঢ়ি তোলাৰ দিশে গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত হ'ব আৰু ৰাজ্যত সকলোৰে বাবে গুণগত শিক্ষা সুনিশ্চিত কৰাত ই সহায় কৰিব। অহাবাৰ আৰু ২ লাখ যুৱক-যুৱতিক কৰ্ম সংস্থাপন প্ৰদান কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে অহা বৰ্ষত শিক্ষক আৰু অধ্যাপকৰ ৭৫ হাজাৰ চাকৰি মুকলি কৰা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিশপুৰৰ অসম বিধানসভা কাৰ্যালয়ৰ হাফলঙৰ ইণ্ডিজেনাছ পিপলছ ফোৰামৰ লগতে উত্তৰ কাছাৰ পাৰ্বত্য এলেকাৰ কেইবাটাও জনজাতীয় সংগঠনৰ প্ৰতিনিধিৰ সৈতে সৌহাদ্যপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত ইণ্ডিজেনাছ পিপলছ ফোৰামৰ প্ৰস্তাৱিত জিলা বিভাজনৰ দাবীক লৈ আলোচনা কৰা হয় আৰু সংশ্লিষ্ট অঞ্চলৰ জনসাধাৰণৰ স্বাৰ্থ, আৱশ্যকতা আৰু ভৱিষ্যত দিশসমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সমন্বয়, স্বচ্ছতা আৰু সকলো জনগোষ্ঠীৰ ন্যায্য অধিকাৰ নিশ্চিত কৰাৰ প্ৰতি ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি মন্তব্য কৰে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতৃত্বৰ ৰাজ্যখনলৈ আগমনে তৎপৰতা বৃদ্ধি কৰিছে। বিজেপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি দুদিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকী দলীয় কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিছে। ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ৰ মানকটা খেলপথাৰত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা পৃষ্ঠাপ্ৰমুখ সন্মিলনত ভাগ লয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে দলৰ শীৰ্ষ নেতাসকলে এই সন্মিলনত অংশগ্ৰহণ কৰে। ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, ধেমাজিকে ধৰি উজনি অসমৰ আটাইকেইখন জিলাৰ বিধায়কসকলৰ লগতে নিগম নিকায় আৰু দলীয় কৰ্মকৰ্তাসকলে এই সন্মিলনত অংশ লয়।

০০০০০০

সকলোৰে প্ৰয়াসেৰেহে ভাৰতবৰ্ষ বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰিব পৰা যাব বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মন্তব্য কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি কামৰূপ মহানগৰ জিলাৰ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি আৰু আত্মসহায়ক গোটৰ সদস্যাসকলৰ সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতবৰ্ষই বিশ্বগুৰু হিচাপে স্থান লাভ কৰাৰ এই সন্ধিক্ষণত অসমসহ দেশৰ  প্ৰতিগৰাকী মহিলা আত্ম নিৰ্ভৰশীল হ'ব লাগিব আৰু মহিলাসকলে আত্ম নিৰ্ভৰশীলতা অৰ্জন কৰাৰ দিশৰ পৰা সকলোৰে সহযোগিতা অতিকৈ প্ৰয়োজন। তেওঁ কয় যে সহযোগিতা যিমানেই ক্ষীপ্ৰ আৰু শক্তিশালী হ'ব সিমানেই দেশ আত্মনিৰ্ভৰ হোৱাৰ পথত আগবাঢ়িব। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মহিলা সৱলীকৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ভূয়সী প্ৰশংসা কৰে। সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ডং বি কল্যান চক্ৰৱৰ্তী, বিশেষ সচিব মুনীন্দ্ৰ শৰ্মা,আৰু গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত প্ৰতিষ্ঠানৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত ভাৰত, নেডাৰলেণ্ডছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখনত টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ পূৰ্বে আজি কলম্বোত অনুষ্ঠিত গ্ৰুপ-এৰ অন্য এখন খেলত পাকিস্তানে নামিবিয়াক ১০২ ৰাণত পৰাস্ত কৰে। নামিবিয়াই ২০০ ৰাণৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ তিনিটা উইকেটৰ বিনিময়ত ১৯৯ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ আগেয়ে নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই ইউ এ ইক  ৬ উইকেটত পৰাভূত কৰে। দক্ষিণ আফ্ৰিকাই ১২৩ ৰাণৰ লক্ষ্যৰে খেলি ১৩ অভাৰ আৰু দুটা বলত চাৰিটা উইকেট হেৰুৱা অনায়াসে নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে আৰু ছুপাৰ-এইট পৰ্যায়ত প্ৰবেশ কৰে। দক্ষিণ আফ্ৰিকাই অহা দেওবাৰে হ'বলগীয়া প্ৰথমখন খেলত ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

**সমাপ্ত**